
# Course 503

## *প্ৰাথমিক স্তৰত ভাষা শিকন*

ব্লক - ২

ভাষা শিকনৰ লগত জড়িত কৌশলসমূহ

অধ্যায় - ৬


টোকা

## অধ্যায়- ৬ ঃ লিখন

# গাঁথনি


৬.০ পাতনি

৬.১ শিকন উদ্দেশ্য

৬.২ লিখনৰ অৰ্থ কি

৬.৩ লিখাৰ আৰম্ভণি

৬.৩.১ সূক্ষ্ম চালিকা কৌশল

৬.৩.২ বৰ্ণ, শব্দ আৰু বাক্যৰ অভ্যাসন

৬.৪ ভাল হাতৰ আখৰৰ উপাদান

৬.৪.১ স্পষ্টতাৰ বিপৰীতে ভাল হাতৰ আখৰ

৬.৪.২ ভাল হাতৰ আখৰৰ বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীক সহায় কৰা

৬.৪.৩ হাতৰ আখৰ আৰু ব্যক্তিত্ব

৬.৪.৪ পঠন ত্ৰুটি (dystexia) আৰু অন্যান্য অসমৰ্থতাৰ বাবে হাতৰ আখৰ এবিধ সুচক হিচাপে আলোচনা ।

৬.৫. ভালকৈ লিখাৰ বৈশিষ্ট্যসমূহ

৬.৫.১ ব্যাকৰণ শুদ্ধ ভাষা

৬.৫.২ পঢ়ুৱৈয়ে মনত স্পষ্টতা আৰু সূক্ষ্ম/সংক্ষেপৰ কথা মনত ৰাখিব

৬.৫.৩ সহজৰ বিপৰীতে অলংকৃত ভাষা


৬.৬ নিম্ন শ্ৰেণীত লিখন কৌশলৰ বিকাশ

৬.৭ লিখনৰ উন্নত ধৰণ

৬.৮ গোটটোৰ পৰা আমি কি শিকিলোঁ

৬.৯ পৰামৰ্শমূলক পুথি আৰু প্ৰসংগ পুথিসমূহ

৬.১১ গোটৰ শেষ অনুশীলন



টোকা

## ৬.০ পাতনি


আগৰ গোটটিত আমি ভাষাৰ তিনিটা কৌশল যেনে- শ্ৰৱণ, কথন আৰু পঠনৰ বিষয়ে আৰু সিহঁতৰ পাৰস্পৰিক নিৰ্ভৰশীলতাৰ বিষয়ে শিকিলো। প্ৰকৃততে লিখাৰ সামৰ্থটো হৈছে ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ শেষ কৌশল আৰু ইও ওপৰোক্ত তিনিওটা কৌশলৰ ওপৰত নিৰ্ভৰশীল। লিখিবলৈ শিকোতে ভাষাৰ দুটা কাৰ্যৰ ওপৰত গুৰুত্ব দিয়া হয়। কাৰ্য দুটা হ'ল যোগাযোগ আৰু প্ৰকাশভংগী। এই গোটটিত আমি যোগাত্মক (communicative) সামৰ্থৰ বিকাশ/উন্নয়ন আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰকাশভংগীৰ বিকাশ/ বিষয়ে কম আৰু এই বিষয় দুটাৰ কাৰ্য সন্দৰ্ভত লিখিবলৈ শিকাৰ কথাও কম। প্ৰত্যক্ষভাৱে লিখিবলৈ শিকাবৰ বাবে কিছুমান পৰামৰ্শও দিয়া হ'ব। আমি আঙুলিয়াই দিয়াটো উচিত হ'ব যে অন্যান্য কৌশলৰ দৰে, লিখনকো এটা সামগ্ৰিক দৃষ্টিভংগীৰে চোৱা উচিত হ'ব; যেতিয়া আপুনি লিখাখিনি পঢ়ি যাব আৰু সেইখিনি এক ক্ষেত্ৰত ক'বও আৰু শুনিবও।

যদি ছাত্ৰ-ছাত্ৰীৰ বাবে অভিজ্ঞতাবোৰ অৰ্থপূৰ্ণ হয়, তেতিয়াহে শিক্ষণ ফলপ্ৰসূ হয়। এই নীতিটো নিম্ন শ্ৰেণীত বৰ্ণ আৰু ব্যাকৰণ শিক্ষণত যিদৰে ব্যৱহাৰ কৰা হয়, সেইদৰে উচ্চ শ্ৰেণীত লিখনৰ বিভিন্ন কৌশল শিকাবলৈও ব্যৱহাৰ কৰা হয়। এই গোটটিত বিভিন্ন ধৰণৰ শ্ৰেণীত কৰা অভ্যাস যেনে— ভুলৰ শুধৰণি কৰা, হাতৰ আখৰত গুৰুত্ব দিয়া, অলংকৃত ভাষা ব্যৱহাৰ কৰা আদিবোৰ আলোচনা কৰিম (লিখনৰ অৰ্থ আৰু প্ৰক্ৰিয়াৰ প্ৰতি মন দি)।

## ৬.১ শিকন উদ্দেশ্যসমূহ ঃ

এই গোটটো পঢ়ি আপুনি-

- লিখনৰ অৰ্থ আৰু শ্ৰৱণ, কথন আৰু পঠনৰ লগত লিখনৰ সম্পৰ্ক বুজিব আৰু এক সামগ্ৰিক দৃষ্টিত এই সকলোবোৰ কৌশল বুজিবলৈ সামৰ্থ হ'ব।
- ভাল লিখনৰ অৰ্থ বুজিব।
- ছাত্ৰ-ছাত্ৰীক লিখিবলৈ শিকোৱাত শিক্ষকৰ ভূমিকা সম্পৰ্কে জানিব।
- লিখনৰ বিভিন্ন ধৰণৰ বিষয়ে জানিব।
- লিখনৰ কৌশল বিকাশৰ বাবে ব্যৱহাৰ কৰিব পৰা বিভিন্ন কাৰ্যকলাপৰ বিষয়ে শিকিব।



টোকা

## ৬.২ লিখনৰ অৰ্থ কি ?

ভাষা শিকনত লিখিবলৈ শিকাটো হৈছে আটাইতকৈ টান কামবোৰৰ ভিতৰত এটা। ইয়াৰ এটা কাৰণ হৈছে লিখনত একে সময়তে বহুবিধ সামৰ্থৰ ব্যৱহাৰ হয়। লিখনৰ বাবে এজন ব্যক্তিয়ে এটা ভাল সূক্ষ্ম চালিকা সংহতি বিকাশ কৰাৰ প্ৰয়োজন জৰিয়তে কলম বা কাঠকলম ধৰিবলৈ ইচ্ছাকৃতভাৱে চিন দিবলৈ তেওঁ সক্ষম হ'ব পাৰে। কাঠ কলম ধৰাৰ পিছত এগৰাকী ব্যক্তি কথা কোৱাৰ বাবে চিন (প্ৰতীক) শিকিবলগীয়া হয় আৰু লিখনৰ জৰিয়তে অইনৰ লগত যোগাযোগ কৰিবলৈ ভাষাৰ কৌশল আয়ত্ত কৰাৰ প্ৰয়োজন হয়।

**লিখন কি ?** অভিধান অনুসৰি লিখন হৈছে চিন দিয়া আৰু এখন উপৰি পৃষ্ঠত আঁক-বাঁক কৰা কাম যিবোৰ অইন মানুহে বুজি পায়। যদিও এই সূত্ৰটো পোনাপুনিকৈ দিয়া হৈছে দেখা যায় ই আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত শব্দটো অৱজ্ঞা কৰিছে।

উদাহৰণ স্বৰূপে এই সূত্ৰটোৱে ভাষা আৰু লিখনৰ মাজত দৰকাৰী/প্ৰয়োজনীয় সংযোগ স্থাপন কৰিবলৈ কোনো প্ৰাসংগিকতা ৰখা নাই আৰু ধৰা হওক এজন মানুহে ছবি আঁকি আছে। এই ছবিখনো মজিয়াত অঁকা হৈছে আৰু বহুলোকে ছবিখন চাই বুজি পাইছে, কিন্তু আমি এইটো লিখন বুলি ক'ব নোৱাৰোঁ।

আভিধানিক সূত্ৰইও কথন আৰু লিখনৰ মাজত সংযোগ ৰখা নাই। কথন আৰু লিখনৰ কাৰ্য বিভিন্ন সময়ত গুৰুত্বপূৰ্ণভাৱে উদ্ভৱ হৈছে। মানুহৰ ভাষা কেতিয়া উৎপত্তি হৈছিল এই কথা বৰ স্পষ্ট নহয়। সম্ভৱতঃ আমি কথা কোৱা অংগবোৰ ১.৫ মিলিয়ন বছৰ আগতেই উদ্ভৱ হৈছিল। এইটো এক অন্ধকাৰ যুগ আৰু ইয়াৰ বিষয়ে বহু আনুমানিক তথ্য (hypofuesis) আছে। তথাপিও স্থিৰ কৰা হৈছিল যে কথিত ভাষা প্ৰায় ১ মিলিয়ন (১০ লাখ) বছৰ আগতেই উদ্ভৱ হৈছিল আৰু লিখিত ভাষা প্ৰায় ৫ হাজাৰ বছৰ আগতে উদ্ভৱ হৈছিল। পৃথিৱীত লিখিত ভাষাৰ আগতে কথিত ভাষা বিভিন্ন সম্প্ৰদায়ৰ মাজত প্ৰকৃততে উদ্ভৱ হৈছিল। আনকি বৰ্তমানো বহু সম্প্ৰদায় আছে য'ত কেৱল মৌখিক ৰূপতেই যোগাযোগ চলি আছে। বহলভাৱে ক'বলৈ গ'লে বহু যুগ ধৰি সম্প্ৰদায়বোৰ যিদৰে দ্ৰুতগতিত বাঢ়ি আহিছে সেইদৰে লিখিত ভাষাবোৰ জীৱিত অৱস্থালৈ আহিছে। সম্প্ৰদায় এটাৰ সদস্যসকলৰ মাজত আৰু অনা বহুলাংশী সম্প্ৰদায়ৰ সদস্যসকলৰ মাজত বিশেষকৈ ভূমি, ৰাজহ আৰু বেপাৰৰ লগত সন্দৰ্ভত হোৱা আদান-প্ৰদান লিপিবদ্ধ কৰাৰ প্ৰয়োজন আছিল। লিখন পদ্ধতি সম্ভৱতঃ এইবোৰৰ উন্নয়নৰ মূলৰ ওচৰত ঋণী।



টোকা


'লিখন' হৈছে এনে এটা মাধ্যম যাৰ জৰিয়তে কোৱাখিনি প্ৰকাশ কৰা হয়। এইদৰে দেখা যায় লিখনে এটা নতুন ভাষাক প্ৰতিনিধিত্ব নকৰে, লিখন সৰলভাৱে একে ভাষাক প্ৰতিনিধিত্ব কৰা এটা উপায়। তথাপিও এই প্ৰকাশভংগীৰ মাধ্যম দুটাৰ মাজত পাৰ্থক্য আছে। প্ৰথমটো হ'ল কোৱা কথাতকৈ লিখিত কথাবোৰ বেছি স্থায়ী, লিখিত সামগ্ৰীবোৰ য'ত লিখা হয় সেইবোৰ যিমানদিনলৈ থাকে লিখিত সামগ্ৰীবোৰ সিমান দিনলৈ টিকে। এইদৰে কথিত শব্দৰ ভাষাবোৰ স্পৰ্শকাতৰ, অদৃশ্য আৰু অস্থায়ী। দ্বিতীয়তো হ'ল যেতিয়া কথা কোৱা হয় তেতিয়া শ্ৰোতাজন আমাৰ সন্মুখতে থাকে। আমি কোৱা কথাবোৰত ব্যৱহৃত অংগীভংগীবোৰত আমাৰ ধ্বনিৰ গুণাগুণেৰে বিভূষিত শব্দবোৰ থাকে। যাক (technically paralinguistic feature) বুলি কোৱা হয়।) কথা কওঁতে শ্ৰোতা আৰু বক্তাৰ কথা বতৰা (বাৰ্তালাপো)স্পষ্ট হয়, সেইবাবে বাক্যবোৰ লিখিত (লিখনি) বাক্যতকৈ পৃথক। শ্ৰোতা আৰু বক্তাৰ মাজত হোৱা কথোপকথনো স্পষ্ট হয়, সেইবাবে কথিত বাক্যবোৰ লিখন ভাৰতকৈ (comturpart) কিছু পৃথক দেখা যায়।

তৃতীয়তে, যেতিয়া কথা কোৱা হয়, আমি নিজে শুদ্ধ কৰি ক'ব পাৰো আৰু ভুলকৈ বুজাটোও পৰিত্যাগ কৰো, কিন্তু লিখিত ভাষাৰ ক্ষেত্ৰত এই সুবিধাটো নাথাকে। বিখ্যাত লেখক প্ৰেমচান্দৰ কথাত — "The dounge does not get chopped on speaking but the hamds do get chopped on writing"

ভাগ্যক্ৰমে যেতিয়া লিখা হয়, কথা কোৱাতকৈ বেছি সময় লাগে। এইদৰে লিখনিত আমি আমাৰ বাক্যবোৰ উন্নত কৰাৰ বাবে আৰু আমি ইচ্ছাকৰা ধৰণে পুনৰ লিখনৰ সুবিধা পাও। সেইবাবে কথনতকৈ লিখন আপেক্ষিকভাৱে বেছি জটিল আৰু দাবীদাৰ।

চতুৰ্থতে, কথিত ভাষাতো অনবৰতে সলনি হৈ থাকে আৰু লিখিত ভাষাটো সামাজিক চাপৰ বাবে (নিজা ধৰণে জীয়াই ৰাখিবলৈ কৰা চেষ্টাত) লাহে লাহে সলনি/পৰিবৰ্তন হয়। উদাহৰণ স্বৰূপে হিন্দী লিপিত '?' ব্যৱহাৰ হৈ আছে আৰু আমি কাচিৎহে এনে এজন ব্যক্তি পাওঁ যিজনে এই '?' ধ্বনিটো '??' তকৈ পৃথকভাৱে উচ্চাৰণ কৰে, একে ধৰণে '?'টো চিএগুৰিবলৈ যিটো ব্যৱহাৰ কৰা হয়, '?' তকৈ পৃথকভাৱে ধ্বনি উচ্চাৰিত নহয়।

একেদৰে ইংৰাজীত 'bus', আৰু 'but' 'cup' উচ্চাৰণ কৰোতে 'but' শব্দত এটা 'u' লিখা হয়। সেইদৰে একে সময়তে কওঁতেও 'u' উচ্চাৰণ কৰা হয়। 'Shut', 'butter', crush আৰু 'drum' আদি শব্দ উচ্চাৰণৰ ক্ষেত্ৰতো একেই হয়। এই কথাটো লিখিবলৈ শিকা ছাত্ৰ-ছাত্ৰীৰ বাবে অতি প্ৰয়োজনীয়। আৰম্ভণি লিখনৰ সকলো প্ৰচেষ্টা


টোকা

কোৱাৰ ধৰণ অনুযায়ী হয়। যদি এই কোৱা কথাবোৰ লিখা ধৰণে গ্ৰহণ কৰা নহয় তেতিয়া ছাত্ৰ-ছাত্ৰীৰ ভুল হোৱাৰ সম্ভাৱনা বেছি হ'ব। এইদৰে এই ভুলবোৰে শিকন প্ৰক্ৰিয়াৰ স্তৰবোৰ প্ৰতিনিধিত্ব কৰিব।

### অগ্ৰগতিৰ নিৰীক্ষণ - ১

১। লিখন হৈছে এক মাধ্যম। যিয়ে

(ক) এটা নতুন ভাষাক প্ৰতিনিধিত্ব কৰে

(খ) এক পৃথক ধৰণে একে ভাষাক প্ৰতিনিধিত্ব কৰে।

(গ) লিখন শিকায়

(ঘ) পঠন শিকায়।

২। এজন ব্যক্তিয়ে লিখিবলৈ সক্ষম হ'বলৈ হ'লে কি কৌশলৰ প্ৰয়োজন?

........................................................................................................

........................................................................................................

........................................................................................................

৩। কথিত আৰু লিখিত ভাষাৰ মাজত পাৰ্থক্য কি? এইবোৰৰ ভিতৰত কোনবোৰ বেছি পৰিবৰ্তনশীল?

........................................................................................................

........................................................................................................

........................................................................................................

৪। কোনো এজনক এটা দফা পঢ়িবলৈ দিয়ক। ইয়াৰ পিছত দফাটো পঢ়ি তেওঁ কি বুজিলে লিখিবলৈ দিয়ক। লিখোতে সেই ব্যক্তিজনে পোৱা অসুবিধাবোৰ আৰু ভুলবোৰ বিশ্লেষণ কৰক।


........................................................................................................

........................................................................................................

........................................................................................................

## ৬.৩ লিখাৰ আৰম্ভণি

এগৰাকী ছাত্ৰই লিখিবলৈ শিকাৰ আগতে তেওঁৰ সূক্ষ্ম চালিকা কৌশল (জানিবলৈ সামৰ্থ) বিকাশ কৰাৰ প্ৰয়োজন। সেই কৌশলবোৰ বিকাশৰ বাবে



টোকা

তেওঁলোকে দেখা গোটা বস্তুবোৰৰ হস্তচালন কৰিবলৈ অনুমতি দিব লাগে। হাতেৰে ধৰি, ঘূৰাই, পকাই আৰু খেলৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বুজাৰ ক্ষমতা বৃদ্ধি কৰিব পাৰে।


অন্য এটা দৰকাৰী কাৰ্যকলাপ হ'ল ছবি অঁকা, যিয়ে ছাত্ৰ-ছাত্ৰীক চালিকা শক্তি বিকাশ কৰাৰ লগত আনন্দ দিয়ে। সেইবাবে ছাত্ৰ-ছাত্ৰীক ছবি আঁকিবলৈ উৎসাহ দিয়া উচিত। ছাত্ৰ-ছাত্ৰীৰ প্ৰথমে অঁকা ছবিবোৰ প্ৰায় অৰ্থহীন আৰু যধে-মধে খৰকৈ অঁকা কিছুমান আক্ বাক আৰু এইবোৰেই পিছত গৈ আকাৰ আৰু গঠন হিচাপে ৰূপ লয়। ছবি অঁকাৰ বাহিৰেও লিখনৰ বাবে প্ৰয়োজনীয় কিছুমান অন্য কাৰ্যকলাপ, যিবোৰে চালন কৌশলৰ বিকাশ কৰাত সহায় কৰে, সেইবোৰ হ'ল কিছুমান খেল যেনে - এটা পাত্ৰত পানী ঢালা, ফুল আৰু মণি চিঙা, মাটিৰ বা তিতা ময়দাৰ লডাৰে বস্তু সজা ইত্যাদি। ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা পৰিবেশে এনে কাৰ্যত ব্যস্ত হ'বলৈ যথেষ্ট সুবিধা দিয়ে। যি নহওক এই ঘটনাবোৰ সদায় নঘটে। সেইবাবে এনে কাৰ্যকলাপৰ লগত প্ৰয়োজন অনুসৰি ব্যস্ত ৰখাত শিক্ষক-শিক্ষয়িত্ৰীয়ে সহায় কৰা প্ৰয়োজন।

## ৬.৩.২ বৰ্ণ, শব্দ, বাক্যৰ অভ্যাসন

এইটো প্ৰায়ে বিশ্বাস কৰা হয় যে বাক্য লিখনৰ পাৰদৰ্শিতা লাভ কৰিবলৈ বৰ্ণ লিখা আৰু বাৰে বাৰে শব্দ লিখাৰ অভ্যাসে সহায় কৰে। এইটো কিছুদূৰহে সত্য, কিন্তু যদি ছাত্ৰ-ছাত্ৰীক শব্দ আৰু বাক্য শৃংখলিতভাৱে পুনৰ লিখনত ব্যস্ত ৰখা হয়, তেতিয়া তেওঁলোকে লিখাৰ আৰম্ভ কৰাৰ আগতে নিৰুৎসাহিত হ'ব। সেই কাৰণে লিখনৰ লগত ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰি দিবলৈ বৰ্ণ আৰু বৰ্ণমালাৰ প্ৰয়োজন কিন্তু সেইবোৰ অৰ্থপূৰ্ণ নহ'বও পাৰে বা গোটেই বৰ্ণবোৰ বাক্যৰ লগত কোনো সম্পৰ্ক নাথাকিবও পাৰে সেইটো স্পষ্ট।

ছাত্ৰ-ছাত্ৰীক লিখিবলৈ শিকাবলৈ যাওতে দুটা অতি প্ৰয়োজনীয় বস্তু হ'ল— ছাত্ৰ-ছাত্ৰীৰ সামৰ্থক সন্মান জনোৱা আৰু সিহঁতে যিখিনি শিকিব পাৰে সেইখিনিৰে অৰ্থপূৰ্ণ লিখনি সৃষ্টি কৰা।

ছাত্ৰ-ছাত্ৰীৰ এটা ভাষা শিকিবলৈ জন্মগত সামৰ্থ আছে এই সামৰ্থক প্ৰশংসা কৰাটো দৰকাৰ। কথন আৰু শ্ৰৱণৰ জৰিয়তে অৰ্থপূৰ্ণ সামাজিক অভিজ্ঞতাৰে ছাত্ৰ-ছাত্ৰীসকলে স্বাভাৱিকতে মাতৃভাষা শিকে। একেদৰে লিখিত সামগ্ৰীৰ সৈতে জড়িত হৈ ছাত্ৰ-ছাত্ৰীসকলে অৰ্থপূৰ্ণ অভিজ্ঞতাৰে লিখনৰ নিয়মবোৰ বুজে। শিক্ষণত, আমি অনুমান কৰি লওঁ যে ছাত্ৰ-ছাত্ৰীসকলক সকলোবোৰ কোৱাৰ প্ৰয়োজন আৰু নোকোৱাকৈ সিহঁতে



টোকা



একোকে বুজি নাপায়। এইটো দৰাচলতে শুদ্ধ নহয়। এই মনোভাৱ আঁতৰোৱাৰ প্ৰয়োজন হ'ল আৰু ছাত্ৰ-ছাত্ৰীৰ সামৰ্থক সন্মান জনোৱাৰ আৰম্ভণি কৰাৰ প্ৰয়োজন হ'ল। ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়লৈ অহাৰ আগেয়ে লিখাৰ এটা সুন্দৰ একক সামৰ্থ থাকে। বালিত, মজিয়াত, কাগজত ছাত্ৰ-ছাত্ৰীয়ে ছবি আৰু প্ৰতীক অঁকাটো আৰু সেইবোৰৰ বিষয়ে সাধু সজা এটা স্বাভাৱিক কথা। তেওঁলোকৰ বাবে এই ছবিবোৰৰ কোনো অৰ্থ নাই, বৰং সেইবোৰে তাৰ জৰিয়তে কি ক'ব বিচাৰে তাকে প্ৰকাশ কৰিবলৈ এখন একক লিপি প্ৰতিনিধিত্ব কৰে। ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ সামৰ্থবোৰৰ সম্পূৰ্ণ ব্যৱহাৰ কৰিবলৈ সুবিধা দিয়া উচিত। তেওঁলোকৰ শিকন প্ৰক্ৰিয়াই সম্পূৰ্ণ ছবি একেলগে পাবলৈ জ্ঞানৰ অংশবোৰ একলগ কৰাটো নুবুজায়, ইয়াৰ বিপৰীতহে বুজায়।

গোটেই (সম্পূৰ্ণ) ছবিটো প্ৰথমে গঠন হয় আৰু ইয়াৰ পিছত বিশেষবোৰ বেলেগ ধৰণে স্পষ্ট হ'ব। অৰ্থপূৰ্ণ সম্পূৰ্ণবস্তু এটা যোগান নধৰিলে সৰু সৰু বিশেষ বস্তুবোৰ, যেনে ব্যক্তিগত বৰ্ণ, বৰ্ণমালাৰ (এলফাবেট)ও একো বুজা নাযাব আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে অসহ্য হ'ব। এইটোৱে ছাত্ৰ-ছাত্ৰীক লিখাৰ প্ৰতি সচেষ্ট হ'বলৈ আৰু ইয়াৰ প্ৰতি মনোভাৱৰ বিকাশ কৰিবলৈ উৎসাহিত কৰিব।

## অগ্ৰগতিৰ নিৰীক্ষণ - ২

১। শিকন প্ৰক্ৰিয়া কেনেকৈ হয়?

(ক) সম্পূৰ্ণ শিকন পাবলৈ ব্যক্তিগত শিকনবোৰ একে লগ কৰি

(খ) প্ৰথমে গোটেই কাহিনী/ঘটনাটো গঠন কৰি পিছত বিশেষ কাহিনী/ঘটনা বুজি

(গ) মনত ৰাখি

(ঘ) ছবি আঁকি।

২। ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ যোৱাৰ আগতে কি ধৰণৰ চিহ্ন/প্ৰতীক আৰু ছবি আকে, সেই বিষয়ে কওক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩। সূক্ষ্ম চালিকা কৌশল (Fine motor skill) বুলিলে কি বুজা যায়? এই কৌশলবোৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কিদৰে বিকাশ কৰিব পাৰি?



টোকা

..........................................................................................................

..........................................................................................................

..........................................................................................................

৪। পুনৰ্লিখনৰ জৰিয়তে বৰ্ণমালা লিখিবলৈ শিকোৱাৰ আৰম্ভণিতে সন্মুখীন হোৱা সমস্যাবোৰ কি কি?

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৬.৪ ভাল হাতৰ আখৰৰ উপাদানসমূহ ঃ

ছাত্ৰ-ছাত্ৰীয়ে লিখিবলৈ আৰম্ভ কৰাৰে পৰা সিহঁতক শুদ্ধকৈ, ভালকৈ হাতৰ আখৰ লিখাৰ ওপৰত আমি গুৰুত্ব দিওঁ। ছাত্ৰ-ছাত্ৰীয়ে লিখাখিনি স্পষ্ট হোৱাটো যিদৰে দৰকাৰী, কি লিখিছে তাৰ অৰ্থটো তাতকৈ বেছি দৰকাৰী। ছাত্ৰ/ছাত্ৰী এগৰাকীয়ে লিখা থকা শব্দ সুন্দৰকৈ অনুকৰণ কৰি চাই চাই লিখিবলৈ সক্ষম হ'ব পাৰে, কিন্তু দৰকাৰী প্ৰশ্নটো হ'ল— কি লিখা আছে সি/তাই বুজি পাইছে নে?

## ৬.৪.১ স্পষ্টতাৰ বিপৰীতে ভাল হাতৰ আখৰ/স্পষ্টতা বনাম ভাল হাতৰ আখৰ

প্ৰথম অৱস্থাত শিক্ষকে ভাল হাতৰ আখৰ আৰু 'ভালকৈ লিখা বৰ্ণ'ৰ প্ৰায়ে গুৰুত্ব দিয়া দেখা গৈছে। যি নহওক, ছাত্ৰ-ছাত্ৰীৰ লিখাবোৰ শুদ্ধ গঠনেৰে (আকৃতিৰে) বৰ্ণ লিখাত শুদ্ধ হোৱাটো বেছি দৰকাৰ। লিখনৰ সৌন্দৰ্যৰ প্ৰকৃত অভীক্ষা হ'ল- 'বুজা'টো চোৱা। ভাল হাতৰ আখৰৰ প্ৰশংসা কৰা হয় কাৰণ ভাল হাতৰ আখৰ পঢ়িবলৈ সহজ হয়। এগৰাকী মানুহৰ হাতৰ আখৰৰ সৌন্দৰ্যই তেওঁৰ ভাষা বুজি পাবৰ বাবে সূচক হ'ব নোৱাৰে।

যদি এগৰাকী ব্যক্তিৰ হাতৰ আখৰ ধুনীয়া, ই এইটো নুসচায় যে তেওঁৰ ভাষাৰ আহৰণৰ সক্ষমতা ভাল। একেদৰে কাৰোবাৰ হাতৰ আখৰ যদি বেয়া, তেওঁৰ ভাষা আহৰণৰ ক্ষমতা সমানে বেয়া হোৱাৰ প্ৰয়োজনবোধ নকৰে। শিক্ষকে এইটো প্ৰশংসা কৰা উচিত যে নিবেশৰ ঐক্যতা থাকিলেও শিক্ষকে এটা বিশেষ ধৰণৰ লিখনতহে গুৰুত্ব

টোকা

দিয়ে সেইবাবে সকলো ছাত্ৰ-ছাত্ৰীয়ে স্পষ্টতঃ নিজে স্পষ্ট হাতৰ আখৰ লিখাত জড়িত হয়।

সেইবাবে বৰ্ণ আৰু শব্দৰ আকৃতিতকৈ বাৰ্তাটোৰ ওপৰতহে গুৰুত্ব দিয়া উচিত। যি নহওক এগৰাকী শিক্ষকে স্পষ্ট হাতৰ আখৰ লিখিবলৈ ছাত্ৰ-ছাত্ৰীক উৎসাহ/প্ৰেৰণা দিবলৈ সচেষ্ট হোৱা উচিত।


## ৬.৪.২ ভাল হাতৰ আখৰৰ বিকাশ কৰিবলৈ ছাত্ৰ-ছাত্ৰীক সহায় কৰি ঃ

লিখনৰ বাবে কিছুমান মৌলিক প্ৰয়োজন যেনে— সূক্ষ্ম গতিশীল চালিকা কৌশল, দৃশ্য বস্তুৰ ধাৰণা, নিয়ন্ত্ৰণ, পেন্সিলেৰে অনুসন্ধান কৰা, বিভিন্ন ব্যায়ামেৰে বাহুৰ স্থিৰতা নিয়ন্ত্ৰণ কৰা আদিয়ে ছাত্ৰ-ছাত্ৰীক ভাল হাতৰ আখৰ বিকাশ কৰাত সহায় কৰিব পাৰে। যেতিয়া বিশেষ বৰ্ণ লিখিবলৈ শিকোৱা হয়, এই ক্ষেত্ৰত শিক্ষকগৰাকীয়ে বিভিন্ন আমোদজনক মনোভাৱৰ বিকাশ কৰিব পাৰে, যেনে - এগৰাকী ছাত্ৰই S বৰ্ণটো কিদৰে এডাল সাপৰ লগত একে বা Q বৰ্ণ কিদৰে এটা বেলুনৰ দৰে একে হ'ব তাক দেখুৱাব পাৰে। একেদৰে হিন্দীৰ বৰ্ণ '?' টো পেটুৱা মানুহৰ লগত তুলনা কৰিব পাৰি। একেদৰে খেলৰ জৰিয়তে শব্দৰ মাজত থকা ঠাই বৰ্ণৰ আকৃতি বৰ্ণৰ মিল (alignment) আদিত থকা অশুদ্ধতা দূৰ কৰিব পাৰে। উদাহৰণ স্বৰূপে, আখৰৰ আকৃতি শুদ্ধ কৰিবৰ বাবে, শিক্ষক এগৰাকীয়ে এটা বিশেষ আকৃতিৰ বৃত্ত আঁকিব পাৰে আৰু কিছুমান বৰ্ণৰে বৃত্তটো পূৰ কৰিবলৈ ক'ব। ইয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক অৰ্থপূৰ্ণ ক্ষুদ্ৰ পাঠৰ লগতপৰিচয় কৰাই দিয়াটো প্ৰয়োজন হ'ব। ইয়াৰ পিছত এই পাঠৰ ওপৰত ভিত্তি কৰি কিছুমান অনুশীলন তৈয়াৰ কৰিব কিন্তু এই অনুশীলন বৰ্ণ আৰু শব্দৰ ওপৰত গুৰুত্ব দি কৰিব।

উদাহৰণ স্বৰূপে, ছাত্ৰ-ছাত্ৰীক এডাল থিয় (লম্ব) ৰেখা গঠন কৰা বৰ্ণৰ পৰা বৰ্ণবোৰ পৃথক কৰিবলৈ দিব পাৰি।

## ৬.৪.৩ হাতৰ আখৰ আৰু ব্যক্তিত্ব

কিছুমান শিক্ষকে বিশ্বাস কৰে যে বেয়া হাতৰ আখৰে ব্যক্তিত্বত বেয়াকৈ প্ৰভাৱ পেলায়। সেইবাবে তেওঁলোকে প্ৰায়ে ছাত্ৰ-ছাত্ৰীসকলক বাৰে বাৰে পৰিষ্কাৰকৈ লিখিবলৈ দিয়ে যিটো ছাত্ৰ-ছাত্ৰীয়ে অসহ্য কাম বুলি ভাবে। শিক্ষকসকলে হাতৰ উন্নতকৰণত ব্যৱহৃত হোৱা কথাবোৰ বুজিব লাগে যিবোৰ টান, নিয়মযুক্ত আৰু সম্পূৰ্ণ ফলদায়ক নহয়। হাতৰ আখৰ উন্নতকৰণে ব্যক্তিত্বৰ উন্নতকৰণ নঘটায়, যিহেতু হাতৰ



টোকা

আখৰে ব্যক্তিত্বৰ ওপৰত প্ৰভাৱ নেপেলায়। আখৰ ভাল কৰিবলৈ কৰা প্ৰচেষ্টাই ছাত্ৰ-ছাত্ৰীৰ লিখনৰ প্ৰতি অনীহা সৃষ্টি কৰে। লিখন যাতে অৰ্থপূৰ্ণ হয় তেনেধৰণৰ কাৰ্যৰ প্ৰতি গুৰুত্ব দিয়া উচিত আৰু সেই কাৰণে লিখন হ'ল এটা মনোগ্ৰাহী কাৰ্য।

## ৬.৪.৪ পঠন ত্ৰুটি (Dyslexion) আৰু অন্য বিশেষভাৱে সক্ষম শিশুসকলৰ বাবে হাতৰ আখৰ এবিধ সূচক হিচাপে আলোচনা

Dyslexion হৈছে পঠন ত্ৰুটি। এনে এটি ধাৰণা আছে যে প্ৰত্যেক ব্যক্তিৰে পঠন ত্ৰুটি আছে। আমি সকলোৰে পঠনত ভুল কৰোঁ। কিন্তু শতকৰা কম ছাত্ৰ-ছাত্ৰীয়েহে অতি সাংঘাতিক পঠন ৰোগত ত্ৰুটিত ভোগে। বেছিকৈ শিকোৱা সত্ত্বেও যিবোৰ ছাত্ৰ-ছাত্ৰীৰ লিখনত ভীষণ অসুবিধা আছে তেওঁলোকৰ পঠন ত্ৰুটি থাকিব পাৰে। তেওঁলোকে বস্তু এটা সম্পূৰ্ণ দৃষ্টিত বুজে উপাদানবোৰ তন্নতন্নকৈ বুজি নাপায়। দ্বিমাত্ৰিক বস্তু বুজিবলৈ যাওঁতে তেওঁলোকে জটিল প্ৰক্ৰিয়াৰ সন্মুখীন হয়। এইটোৱে লিখনত সমস্যাৰ সৃষ্টি কৰে। যিহেতু আখৰবোৰৰ অনিয়মীয়া আকাৰ আৰু আকৃতি আছে সেইবাবে এজন লোকৰ (পঠন ত্ৰুটিযুক্ত) হাতৰ আখৰ অস্পষ্ট হয় আৰু একে বৰ্ণ/আখৰ বা শব্দ লিখোতে ছাত্ৰ-ছাত্ৰী এগৰাকী অসংযত হ'ব পাৰে। সি/তাই লিখাবোৰ চাই চাই লিখোতে টান পাব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে লিখনত গ্ৰহণ কৰা অতিৰিক্ত কাৰকটো হ'ল শাৰীৰিক অৱস্থা।


Dyslexiaৰ অন্য কিছুমান অতি দুৰ্বল লিখন কৌশলৰ লগত জড়িত বৈশিষ্ট্যৰ সৈতে সম্বন্ধ দেখুৱায়। যেনে - ডিচপ্ৰক্সিয়া (Dyspraxia) যিবোৰ দুৰ্বল চালিকা কৌশল আৰু দুৰ্বল আঁচনিৰ লগত জড়িত ক্ষীণ দৃষ্টিসম্পন্ন।

যি নহওক, আনকি যদি এই লক্ষণবোৰ পৰ্যবেক্ষণ কৰা যায় (দেখা যায়), কোনো বেমাৰ নথকা বুলি ভাবিব নোৱাৰে। সেইবাবে যদি কোনো ছাত্ৰ/ছাত্ৰীৰ এনে লক্ষণ আছে, যাৰ বাবে সি/তাইৰ বিশেষ সহায়ৰ প্ৰয়োজন হয়, এইটো নিশ্চিত কৰিবৰ বাবে দক্ষ লোকৰ সহায়ৰ প্ৰয়োজন হয়। যেনে - ব্যৱসায়ী চিকিৎসক (Occupaional therapist)।

### অগ্ৰগতিৰ নিৰীক্ষণ - ৩

১। এজন ব্যক্তি যাৰ পঠন ত্ৰুটি (Dyslexia) আছে, তেওঁ

(ক) সদায় জটিল ছবিবোৰ চায়


টোকা



(খ) সম্পূৰ্ণ ছবি চাব নোৱাৰে।

(গ) ছবিটো প্ৰস্তুত কৰিবলৈ প্ৰয়োজনীয় ক্ষুদ্ৰ ক্ষুদ্ৰ অংশবোৰ তন্ন তন্নকৈ বুজে।

(ঘ) ছবি আঁকিব নোৱাৰে।

২। লিখনত হাতৰ (আঙুলি) স্থান আৰু পেঞ্চিলত খামুচি ধৰা (Grip) অৱস্থানৰ প্ৰয়োগ বিশ্লেষণ কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

৩। বৰ্ণৰ লগত বিভিন্ন ধৰণে পৰিচয় কৰাই দি বৰ্ণ লিখন আমোদজনক কৰাৰ বিভিন্ন উপায়বোৰৰ বিষয়ে ভাৱক। হাতৰ আখৰৰ লগত জড়িত সমস্যাবোৰক উদ্দেশ্য কৰি লিখিত অনুশীলন কৰাৰ চেষ্টা কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

৪। আপুনি অনুমান কৰক যে আপোনাৰ শ্ৰেণীত এজন ছাত্ৰ আছে যিয়ে শব্দবোৰ অনিয়মত লিখে আৰু তেওঁৰ হাতৰ আখৰবোৰ অস্পষ্ট। আপুনি এতিয়া কি কৰিব। ব্যাখ্যা কৰক।


.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৬.৫ ভাল হাতৰ আখৰৰ বৈশিষ্ট্য ঃ

আমাৰ লিখিত ভাষাটো কিছুমান নিৰ্দিষ্ট বানান আৰু ব্যাকৰণৰ নিয়মৰ অন্তৰ্গত বুলি ভবা হয়। কথা ক'লে যদি শ্ৰোতাজনে আমাক ভুল বুজে তেতিয়া তেওঁক শুধৰাই দিয়াৰ সুবিধা আমাৰ থাকে। লিখিত পদ্ধতিত এনেধৰণৰ কোনো সুবিধা নাথাকে। যি নহওক এই ধৰণে /কথিত আৰু লিখিত ভাষাত থকা পাৰ্থক্যৰ বিচাৰে ছাত্ৰ-ছাত্ৰীক লিখিবলৈ শিকাৰ ক্ষেত্ৰত কিছুমান সমস্যাৰ সৃষ্টি কৰে। যদি লিখিত ভাষাৰ নিৰ্দিষ্ট



টোকা

বৈশিষ্ট্যবোৰৰ লগত কথিত ভাষাৰ কোনো সম্পৰ্ক নাথাকে (যেনে বানান, Punctuation ইত্যাদিত) আৰু সেইবোৰ আৰম্ভণিৰ পৰাই শুদ্ধ কৰাত গুৰুত্ব দিয়া হয়, তেতিয়া ছাত্ৰ-ছাত্ৰীয়ে লিখনৰ প্ৰতি অনীহা অনুভৱ কৰিব। সেই কাৰণে লিখনৰ প্ৰাক্‌স্তৰত ছাত্ৰ-ছাত্ৰীয়ে যি ইচ্ছা কৰে তাকে লিখিবলৈ দিয়াটো দৰকাৰী। শুদ্ধতাৰ প্ৰতি গুৰুত্ব পিছত দিব লাগে।

ভাষাৰ চাৰিটা কৌশলৰ ভিতৰত লিখন হৈছে আটাইতকৈ কঠিন। লিখনত মৌখিক, ব্যাকৰণ আৰু বাক্য গাঁথনিৰ নিৰ্দেশৰ প্ৰয়োজন, যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে চুটি দফা এটা ভাঙি ভাঙি লিখিবলৈ লয়, তেতিয়া বিভিন্ন বাক্যবোৰৰ মাজত সম্পৰ্কও স্থাপন কৰে এইবোৰে অৰ্থ সৃষ্টি কৰাত সহায় কৰে। অৰ্থ হৈছে ভাষাৰ এটা আৱশ্যকীয় সংহত (Integrel) অংগ। কিন্তু লিখনত অৰ্থৰ প্ৰতি বেলেগকৈ অতিৰিক্তভাৱে মন দিবলগীয়া হয় কাৰণ কোনো যোগাযোগ নাথাকিলেও স্পষ্ট কৰাৰ অৱকাশ নাথাকে।

বিশৃংখল ধাৰণাৰ প্ৰতি সহৃদয়তা দেখুওৱাবলৈ লিখনক আকৌ অৰ্থ সজা কাম হিচাবে বৰ্ণনা কৰিব পাৰি। লিখনৰ লক্ষ্য হ'ল অৰ্থপূৰ্ণ প্ৰকাশ আৰু অৰ্থপূৰ্ণ যোগাযোগ ৰক্ষা কৰা।

প্ৰায়ে এই উদ্দেশ্যেবোৰ, শ্ৰেণীকোঠাত শুদ্ধকৈ লিখাৰ ওপৰত গুৰুত্ব দিয়া বাবে নিস্ফল হয়।

## ৬.৫.১ ব্যাকৰণতগত শুদ্ধ ভাষা ঃ

ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰোতে শিক্ষকে বানান আৰু ব্যাকৰণৰ ভুলটোহে চায়। কথন আৰু লিখনত থকা এই ভুলবোৰ স্বাভাৱিক বুলি তেওঁলোকে ভবা প্ৰয়োজন। আৰম্ভণিৰে পৰা আমাৰ কোনেও শুদ্ধকৈ ক'ব বা লিখিব নোৱাৰে। যৌগিক বাক্য সাজোতে ভুল হোৱাৰ সম্ভাৱনা আৰু বেছি।

এইটো ধাৰণা/বিবেচনা কৰি পোৱা গৈছে ভাষাৰ ধ্বনি উচ্চাৰণ কৰা আৰু লিখি এইবোৰ উপস্থাপন কৰাৰ মাজত সম্পৰ্ক ৰাখিবলৈ একো নাথাকে। বেলেগ বেলেগ কৈ লিখিবলৈ বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ এইটো স্বাভাৱিক ঘটনা বুলি ক'বও পাৰি। আকৌ ভাষাই উচ্চ পৰ্যায়ৰ সামাজিক আৰু ধৰ্মীয় বিভিন্নতা প্ৰদৰ্শন কৰে। ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সামাজিক পৰিৱেশত একেটা শব্দই বেলেগ বেলেগ ধৰণে কোৱা হয়। উদাহৰণ স্বৰূপে অসমীয়াত ছাত্ৰ-ছাত্ৰীয়ে ঝক্ ঝক শব্দটো জক্ জক্ হিচাবে ব্যৱহাৰ কৰে। আৰু উজ্জ্বল শব্দটো উজ্জ্বল হিচাপে ব্যৱহাৰ কৰে। এই মাৰাত্মক ভুলটো বুলি বিবেচনা কৰাৰ পৰিবৰ্তে, আমি এইটো শিকন প্ৰক্ৰিয়াৰ অপৰিহাৰ্য অংগ হিচাপে ভাবিব লাগে।

টোকা

ব্যাকৰণৰ ক্ষেত্ৰটো আমি একে উদাহৰণ দিব পাৰো। বহু সম্প্ৰদায়ে অসমীয়াত কথা কওতে ক্ৰিয়া ব্যৱহাৰত লিংগ পাৰ্থক্য নাৰাখে। যেনে তুমি আহিব, আপুনি যাবা, মই ভাত খাব ইত্যাদি। আমি যদি এনে ভুলবোৰ ছাত্ৰ-ছাত্ৰীৰ সন্মুখত আৰু তেওঁলোকৰ পিতৃ-মাতৃৰ আগত কৰোঁ তেওঁলোক নিৰুৎসাহী হ'ব। এই ক্ষেত্ৰত প্ৰায়ে লক্ষ্য কৰা হয় যে ছাত্ৰ-ছাত্ৰীবোৰ বিদ্যালয়ৰ পৰা বিৰত থাকে।


ছাত্ৰ-ছাত্ৰীক শুদ্ধকৈ বানান আৰু ব্যাকৰণ শিকাবলৈ তেওঁলোকক বৰ্ধিত হাৰত আকৰ্ষণীয় আৰু প্ৰত্যাহ্বানমুক্ত লিখন সামগ্ৰী পঢ়িবলৈ দিব লাগে। তেওঁলোকৰ বাবে শুদ্ধ বানান আৰু ব্যাকৰণতে তেওঁলোকৰ অৰ্থপূৰ্ণ শেষ নহয়। বৰং ফলপ্ৰসু, আকৰ্ষণীয় আৰু সন্তোষজনক যোগাযোগহে অৰ্থপূৰ্ণ অন্ত।

## ৬.৫.২ পঢ়ুৱৈয়ে মনত ৰাখক ঃ

আমি যিবোৰ লিখো সেইবোৰে আমি পঢ়িব লাগে তাকেই বুজা যায়। অৰ্থাৎ আমি যে লিখো, পঢ়িবলৈ লিখো, কোনেও নহ'লেও অন্ততঃ আমাৰ বাবে, আমি নিজেই পঢ়িবলৈ লিখো। আমি যি লিখো পঢ়ি যোৱাটো আমি বিশ্বাস কৰোঁ আৰু এই বিশ্বাস অনুসৰি আমাৰ লিখনিবোৰ সলনি কৰিব পাৰো। লিখনৰ শৈলী, ব্যাকৰণৰ শৈলী আৰু শব্দৰ পচন্দবোৰ আমি লিখাবোৰ পঢ়ি কৰা অনুভৱৰ দ্বাৰা প্ৰভাৱান্বিত হয়। এইটো মনত ৰাখি পঢ়ুৱৈৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক সহানুভূতিশীল কৰাৰ উদ্দেশ্যে শ্ৰেণীকোঠাত বহুতো কাৰ্য কৰিবলৈ সম্ভৱপৰ হয়। লিখন আৰম্ভ কৰাৰ আগতে পঢ়ুৱৈৰ বিষয়ে ভাবিবলৈ তেওঁলোকক উৎসাহ দিয়াৰ বাবে প্ৰশ্নবোৰ ডিজাইন কৰি ল'ব পাৰি। এইদৰে পঢ়ুৱৈ আৰু বিভিন্ন ধৰণৰ পঢ়ুৱৈৰ কথা মনত ৰাখি ছাত্ৰ-ছাত্ৰীসকলক লিখিবলৈ উৎসাহিত কৰিব পাৰি। উদাহৰণ স্বৰূপে আপুনি আপোনাৰ অধ্যয়ন পঢ়াৰ বিষয়ে আৰু পৰীক্ষাৰ বিষয়ে বিভিন্ন ধৰণৰ চিঠি এহাতে অভিভাৱককলৈ আৰু অন্যহাতে আপোনাৰ বন্ধুলৈ লিখিব পাৰে।

**স্বচ্ছতা আৰু সংক্ষিপ্তকৰণ ঃ**

স্বচ্ছতা আৰু সংক্ষিপ্তকৰণ হৈছে লিখনৰ আকাংক্ষিত বৈশিষ্ট্য, যিহেতু দুয়োটাই সংশয়পূৰ্ণভাৱে লিখক এজনে যি লিখিবলৈ বিচাৰে তাৰ অৰ্থ আৰু পঢ়ুৱৈজনৰ পঢ়াৰ প্ৰতি প্ৰচেষ্টা এই দুয়োৰে মাজত সম্পৰ্ক ৰক্ষা কৰে। স্পষ্ট আৰু সংক্ষিপ্ত লিখনৰ বাবে, ছাত্ৰ-ছাত্ৰীসকলে লিখক হিচাপে নহয় বৰং পঢ়ুৱৈ হিচাপে অভিজ্ঞতা আহৰণ কৰাটো প্ৰয়োজন। পঠনে পঢ়ুৱৈসকলক লিখকসকলে দিয়া বিভিন্ন পদ্ধতিৰে পুষ্ট কৰে আৰু



টোকা


পঢ়ুৱৈৰ প্ৰতি তেওঁলোকৰ মতামত দিবলৈ বিচাৰে।

সংক্ষিপ্ত আৰু স্পষ্ট লিখনৰ বাবে আৰু যোগাযোগৰ বাবে আমি কি ধাৰণা লিখিবলৈ বিচাৰো তাৰ আগতীয়া আঁচনি কৰা প্ৰয়োজন, আৰু আমি উপস্থাপন কৰিবলৈ বিচৰা ধাৰণা আৰু আমি উপস্থাপন কৰিবলৈ বিচৰা দিশৰ মাজত থকা সম্বন্ধৰ আগতীয়া আঁচনি কৰা প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীসকলক পুনৰ বিচাৰৰ বাবে সময় দিয়া উচিত আৰু লিখাখিনি পৰিবৰ্তন কৰাৰ বাবেও সময় দিয়া উচিত। এইটো দেখা গৈছে যে ছাত্ৰ-ছাত্ৰীসকলক যদি তেওঁলোকে লিখাখিনি পঢ়িবলৈ আৰু সম্পাদনা কৰিবলৈ সময় দিয়া হয় তেতিয়া তেওঁলোকে অপৰিবৰ্তনীয়ভাৱে লিখনৰ সামৰ্থ উন্নত কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীৰ লিখনৰ ফলাফল পৰীক্ষা কৰোতে শিক্ষকে ব্যৱহাৰ কৰা ৰঙা চিনে বিবেচনামূলকভাৱে ছাত্ৰ-ছাত্ৰীৰ ব্যৰ্থতাৰ পৰিচয় দাঙি ধৰে।

## ৬.৫.৩ সহজৰ বিপৰীতে অলংকৃত ভাষা

এইটো এটা সাধাৰণ বিশ্বাস আছে যে অলংকৃত ভাষা ব্যৱহাৰ কৰা এটা ভাল লিখন। ভাল লিখন হৈছে বহল বিস্তৃত শব্দ আৰু বাক্য গাঁথনি। এইবিধ লিখনত যিয়ে অলংকৃত ভাষা ব্যৱহাৰ কৰে, যদিও কেতিয়াবা এই লিখনে বিশেষকৈ অনুপ্ৰাণিত হোৱাৰ মনোভাব দেখুৱায়, ই ইয়াৰ উদ্দেশ্য বিফল কৰিব, যদি পঢ়ুৱৈক জনোৱাৰ সলনি শংকিত কৰি তোলে। যি লিখনে পঢ়ুৱৈ এগৰাকীক স্পষ্ট বাৰ্তা দিয়ে সেয়ে ভাল লিখন। সেইবাবে লিখনৰ অৰ্থ স্পষ্ট কৰিবলৈ ছাত্ৰ-ছাত্ৰীক এনেধৰণৰ ভাষা ব্যৱহাৰ কৰিবলৈ উৎসাহ যোগোৱা উচিত।

দৰকাৰী কথাটো হ'ল নিজে নিজৰ সামৰ্থ প্ৰকাশ কৰা; ই আনৰ ওপৰত এজনে কৰা প্ৰভাৱ নহয়, (এজনে লিখাৰ ফলস্বৰূপে) এইটোৱে ইয়াকে নুবুজায় যে কেৱল সহজ লিখনেই ভাল লিখন। যিহেতু ছাত্ৰ-ছাত্ৰীৰ শব্দ ভাণ্ডাৰ (Vocabulary) বিকাশ, পঠন আৰু অন্যান্য ভাষাৰ লগত সম্পৰ্ক থকা অভিজ্ঞতাৰ জৰিয়তে হয়, সেইবাবে তেওঁলোকে কিছুমান অসাধাৰণ শব্দ আৰম্ভণিতে ব্যৱহাৰ কৰিব পাৰে। যেতিয়ালৈকে তেওঁলোকে ব্যৱহাৰ কৰা শব্দবোৰ যথোপযুক্ত নহয়, তেওঁলোকক উৎসাহ যোগাই থাকিব লাগে। বহল পৰিসৰৰ শব্দ ভাণ্ডাৰে নিজৰ পছন্দ অনুসৰি প্ৰকাশ কৰাৰ স্বাধীনতা দিয়ে আৰু এইটো এটা ভাল কথা। যি নহওক ফলদায়ক সম্পৰ্ক ৰক্ষাৰ বাবে সুবিধা এতিয়াও দিয়া উচিত। ছাত্ৰ-ছাত্ৰীসকলক/পঢ়ুৱৈসকলক সন্মান জনাবলৈ শিকাব লাগে আৰু তেওঁলোকৰ প্ৰয়োজনৰ লগত নিজক খাপ খুৱাব শিকাব লাগে। তেওঁলোকক সহজ আৰু স্বচ্ছ লিখনৰ উদাহৰণ দিব লাগে। সত্যপ্ৰিয় সহজ (Honest simple) লিখন,



টোকা

অলংকাৰ পূৰ্ণ, চলনাপূৰ্ণ (মিছা) লিখনতকৈ ভাল। (ক) আৰু (খ) ৰ তুলনা কৰক ঃ

(ক) আপোনাক অতি কাতৰভাৱে জনাওঁ যে আপুনি দয়া কৰি/মোক দুদিনৰ ছুটীৰ বাবে অনুমতি দিয়ক মই আপোনাৰ ওচৰত কৃতজ্ঞ থাকিম।

(খ) দয়া কৰি মোক দুদিনৰ ছুটী দিয়ক, আমি আশা কৰো যে আপুনি 'ক'তকৈ 'খ'কহে সমৰ্থন দিব।

## অগ্ৰগতিৰ নিৰীক্ষণ - ৪

১। লিখনৰ উদ্দেশ্য কি?

(ক) আলংকাৰিক ভাষা ব্যৱহাৰ কৰিবলৈ

(খ) ব্যাকৰণগত শুদ্ধ ভাষা ব্যৱহাৰ কৰিবলৈ

(গ) শুদ্ধভাৱে লিখিবলৈ

(ঘ) যোগাযোগৰ দৰে অৰ্থপূৰ্ণ প্ৰকাশ কৰিবলৈ

২। ভাল হাতৰ আখৰৰ বৈশিষ্ট্যবোৰ কি?

.............................................................................................

.............................................................................................

.............................................................................................

৩। 'অৰ্থপূৰ্ণ' লিখন' বা 'শুদ্ধ লিখন' কোনটো অধিক দকাৰী? কাৰণ দৰ্শাই উত্তৰ লিখক।

.............................................................................................

.............................................................................................

.............................................................................................


৪। ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া লিখিবলৈ শিকে তেতিয়া বানান আৰু ব্যাকৰণৰ ভুল কৰে কিয়?

.............................................................................................

.............................................................................................

.............................................................................................

৫। ভাল হাতৰ আখৰ লিখিবলৈ সক্ষম হ'বলৈ ছাত্ৰ-ছাত্ৰীয়ে ভালপোৱা কিতাপ এখনৰ এটা কাৰ্যকলাপৰ কথা ভাবক।



টোকা

.....................................................................................................

.....................................................................................................

.....................................................................................................

৬। লিখনৰ কৌশলৰ উন্নতিৰ বাবে লিখিত দফা এটা পুনৰ লিখন আৰু পুনৰ নক্সাকৰণৰ গুৰুত্ব কি?

.....................................................................................................

.....................................................................................................

.....................................................................................................

## ৬.৬ নিম্ন প্ৰাথমিক শ্ৰেণীত লিখন কৌশলৰ বিকাশ ঃ

ভাষাৰ অন্যান্য কৌশল যেনে— শ্ৰৱণ, কথন আৰু পঠনৰ ওপৰত ভিত্তি কৰি নিম্ন শ্ৰেণীত লিখনৰ বিকাশ সাধন কৰা হয়। যেতিয়া লিখাখিনি অৰ্থপূৰ্ণ হয় তেতিয়াহে ছাত্ৰ-ছাত্ৰীয়ে ফলপ্ৰসূভাৱে লিখিবলৈ শিকে বা লিখন ফলপ্ৰসূ হয়। যেতিয়া লিখন ছাত্ৰ-ছাত্ৰীৰ প্ৰাসংগিক হয় আৰু সিহঁতৰ বাবে আনন্দদায়ক হয়, তেতিয়াও লিখন ফলপ্ৰসূ হয়। ছাত্ৰ-ছাত্ৰীক লিখিবলৈ শিকিবৰ বাবে থকা বিভিন্ন চৰ্ত পূৰণৰ বাবে—

— একক বা দলীয়ভাৱে কিছুমান কাৰ্যকলাপ কৰিবলৈ দিব লাগে। তলত দিয়া কাৰ্যকলাপবোৰ কিছুমান সীমিত পৰামৰ্শহে আৰু এইবোৰে সম্ভৱপৰ/সম্ভাব্য কাৰ্যকলাপৰ এটা ক্ষুদ্ৰ অংশহে প্ৰতিনিধিত্ব কৰিব—

- **ছবি গঠন ঃ**

ইয়াত ছাত্ৰ-ছাত্ৰীয়ে এটা ছবি (বস্তু এটা ঘটনা, বহু ঘটনা আদি)ৰ লগত জড়িত হ'ব আৰু তেওঁলোকক ইয়াৰ বিষয়ে লিখিবলৈ কোৱা হ'ব। এই লিখনত বিস্তৃত গঠন (composition)থাকিব পাৰে। তেওঁলোকক এটা সাধু লিখিবলৈ, ছবি এখন চাই বৰ্ণনা কৰিবলৈ, চৰিত্ৰবোৰৰ মাজত হোৱা কথাবতৰা লিখিবলৈ, ছবিত থকা খালী ঠাইবোৰ পূৰাবলৈ আৰু ইয়াৰ বিষয়ে লিখিবলৈ ইত্যাদি ক'ব পাৰি। যদি এলানি ছবি ক্ৰমত সজাই সাধুটো চিহ্নিত কৰা হয়, তেতিয়া সিহঁতক এইবোৰ চাই সাধুটো লিখিবলৈ ক'ব পাৰি।

- **দিয়া নক্সা (আঁচনি)ৰ পৰা সাধু বিকাশ কৰি ঃ**

ছাত্ৰ-ছাত্ৰীক এলানি শব্দ আৰু শব্দাংশেৰে এটা সাধুৰ নক্সা দিব পাৰি আৰু এই শব্দ আৰু শব্দাংশ ব্যৱহাৰ কৰি সাধু সজাবলৈ ক'ব পাৰি।

টোকা

- **স্বতন্ত্ৰ লিখন ঃ**

ছাত্ৰ-ছাত্ৰীক যিকোনো বিষয়ৰ ওপৰত লিখিবলৈ ক'ব পাৰি, চাব লাগে যাতে সিহঁতে স্বতন্ত্ৰভাৱে বৰ আগ্ৰহ দেখুৱায় বা যিকোনো বিষয়ে বহুত ক'ব পাৰে। এইটোৱে কেৱল লিখন কৌশল বিকাশতে সহায় নকৰে, বৰং ই শিক্ষকক শিকন কাৰ্যৰ বাবে দৰকাৰী অধিক কৌশল (ব্যৱস্থা)সমূহ আঙুলিয়াই দিব।

- **সাধুটো কৈ থাকি ঃ**

ছাত্ৰ-ছাত্ৰীক এটা সাধুৰ আৰম্ভণিখিনি ক'ব পাৰি আৰু ইয়াৰ পিছত কি হ'ব (ঘটনাটো) লিখিবলৈ ক'ব পাৰি।

- **শ্ৰুতলিপিঃ**

শিক্ষকে কিছুমান শব্দ ডাঙৰকৈ ক'ব পাৰে আৰু ছাত্ৰ-ছাত্ৰীক লিখিবলৈ ক'ব। শিক্ষকে কোৱা শব্দবোৰৰ উচ্চাৰণ মতে ছাত্ৰ-ছাত্ৰীয়ে লিখিবলৈ সক্ষম হৈছে নে নাই চাব পাৰি।

- **শেষৰ শব্দ প্ৰথমে ঃ**


ছাত্ৰ-ছাত্ৰীক কিছুমান দলত ভাগ কৰি এটা এটাকৈ শব্দ লিখিবলৈ ক'ব পাৰি। চাব লাগিব যাতে সিহঁতে লিখা প্ৰথম আখৰটোৱে আগতে লিখা শব্দটোক শেষৰ আখৰ হয়। এই কাৰ্যকলাপটোৰ জৰিয়তে, শিক্ষকজনে ছাত্ৰ বা ছাত্ৰী এগৰাকীক প্ৰত্যক্ষভাৱে দেখুৱাই নিদিয়াকৈ ছাত্ৰ/ছাত্ৰীয়ে সম্পৰ্কটো চিনাক্ত কৰিব পাৰে।

- শিক্ষকে ছাত্ৰ-ছাত্ৰীক ভাল লগা এটা বিষয় ক'ব দিব পাৰে আৰু সিহঁতে কোৱাখিনি লিখিব দিব পাৰে। এইটোৱে লিখনৰ যোগাযোগ/সম্পৰ্ক/আদান প্ৰদানৰ উদ্দেশ্যে স্পষ্ট কৰিব আৰু কথন আৰু লিখনৰ সংযোগ স্থাপন স্পষ্ট কৰিব।

- **ছন্দোময়ী শব্দ** (Rhyming words) ঃ

ছাত্ৰ-ছাত্ৰীক দিয়া কিছুমান শব্দ ধ্বনি মিলাই গাবলৈ দিব পাৰি।

যেতিয়া লিখিবলৈ শিকোৱা হয়, ছাত্ৰ-ছাত্ৰীক সিহঁতৰ নিজা মতামত প্ৰকাশ কৰিবলৈ দিবই লাগে। ছাত্ৰ-ছাত্ৰী আদৰ্শ ৰচনা এখনৰ কিছু অংশ জোৰ কৰি মুখস্থ কৰোৱাৰ সাধাৰণ অভ্যাসটো অতীৱ বিপদজনক। ই ছাত্ৰ-ছাত্ৰী নিজে লিখাৰ যি অভিৰোচন সেইটো ধ্বংস কৰিব। ছাত্ৰ-ছাত্ৰীক মুক্তভাৱে তেওঁলোকৰ ভাৱ আৰু চিন্তা প্ৰকাশ কৰি লিখিবলৈ/লিখিতভাৱে প্ৰকাশ কৰিবলৈ সুবিধা দিলেহে তেওঁলোকে মুক্তভাৱে লিখিব।



টোকা

## অগ্ৰগতিৰ নিৰীক্ষণ - ৫

১। ছাত্ৰ-ছাত্ৰীক লিখিবলৈ শিকাবলৈ কি কৰা উচিত?

(ক) ছাত্ৰ-ছাত্ৰীসকলক মনত ৰাখিবলৈ আৰু বিশেষ বিষয়টোৰ বিষয়ে লিখিবলৈ দিয়া উচিত।

(খ) ছাত্ৰ-ছাত্ৰীক বৰ্ণমালা লিখিবলৈ কোৰা উচিত।

(গ) ছাত্ৰ-ছাত্ৰীক সিহঁতৰ ভাৱ/চিন্তাবোৰ লিখাৰ সুবিধা দিয়া উচিত।

(ঘ) ছাত্ৰ-ছাত্ৰীক একে বৰ্ণবোৰ বাৰে বাৰে লিখিবলৈ কোৰা উচিত।

২। শব্দবোৰে কিদৰে ছাত্ৰ-ছাত্ৰীক লিখিবলৈ শিকোৱাত সহায় কৰে ব্যাখ্যা কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩। প্ৰাথমিক শ্ৰেণীত লিখিবলৈ শিকাওতে ব্যৱহাৰ কৰা কাৰ্য-কলাপৰ পৰামৰ্শ দিবলৈ চেষ্টা কৰক-

..........................................................................................................

..........................................................................................................

..........................................................................................................

৪। ছাত্ৰ-ছাত্ৰীৰ লিখিবলৈ শিকাবৰ বাবে সাধুৰ লগত জড়িত অন্য কাৰ্য-কলাপৰ বিষয়ে চিন্তা কৰক।

..........................................................................................................


..........................................................................................................

..........................................................................................................

## ৬.৭ লিখনৰ উন্নত প্ৰকাৰ ঃ

দফা, চিঠি, ৰচনা, গল্প আৰু কবিতা লিখনৰ দৰে উন্নত লিখনবোৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰকাশ ভংগী, সৃজনী আৰু যোগাযোগৰ সামৰ্থৰ বিকাশৰ বাবে বিদ্যালয়ত শিকোৱা হয়।

দফা লিখনে ছাত্ৰ-ছাত্ৰীক এটা বিষয়ৰ ওপৰত গুৰুত্ব দি লিখিবলৈ আৰু ভাবিবলৈ শিকাত সহায় কৰে। এইটো সংগতভাৱে সৰু ছাত্ৰ-ছাত্ৰীয়ে প্ৰকাশ কৰাত সহায় কৰিবলৈ,


টোকা

উৎসাহ যোগাবলৈ এটা ভাল ব্যায়াম আৰু ইয়ে ৰচনা লিখন ভেটি তৈয়াৰ কৰে/গঢ়ে। এইটোৱে ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ জীৱনৰ লগত সংগতি ৰাখি ঘটা ঘটনাবোৰ লিখিবলৈ ক'বলৈ উপদেশনীয়। এই দফাবোৰ বয়স, লিখনৰ সামৰ্থ আৰু ছাত্ৰ-ছাত্ৰীৰ বুজা সামৰ্থৰ ওপৰত ভিত্তি কৰি ডাঙৰ সৰু হ'ব পাৰে।

**ৰচনা লিখন ঃ**

এটা বিষয় বা Topic ৰ লগত সংগতি ৰাখি, একাদিক্ৰমে বহু ধাৰণা সংযোগ কৰি গঠন কৰা মীমাংসা (composition) কেই ৰচনা বুলিব পাৰি। ৰচনা সাধাৰণতে দুই প্ৰকাৰৰ-

— চিন্তাশীল (বিচাৰ কৰিব জনা)

— আবেগিক।

এখন ৰচনাৰ বিভিন্ন অংশ থাকে—

— পাতনি

— প্ৰধান অংশ (maid body)/মাজৰ অংশ


— সামৰণি

এই অংশবোৰে এইটো নিশ্চিত/পৰামৰ্শ দিয়ে কৰে যে এখন ৰচনাত এটা সহজ চিন্তাৰ গতিবেগ প্ৰতিফলিত হয়। এই চিন্তাবোৰ বিষয়টোৰ লগত সংগতি থাকিব লাগিব আৰু যুক্তিপূৰ্ণ হ'ব লাগিব। লিখকজনে স্পষ্টতা আৰু উপযুক্ততাৰ ওপৰত গুৰুত্ব দি বিষয়টো বিকাশ কৰিব লাগিব। ৰচনা যিবোৰে কোনো বিষয়ৰ গভীৰতা আৰু বহল প্ৰকাশৰ লগত জড়িত দফাত সেইটো নহয়।

ৰচনাৰ গুণাগুণৰ বিষয়ে, চিন্তা কৰি (worrying) শিক্ষকসকলে কেতিয়াবা ছাত্ৰ-ছাত্ৰীসকলক ৰচনাৰ শ্ৰুতলিপি দিয়ে আৰু এইখিনি মুখস্থ কৰি লিখিবলৈ দিয়ে। এই পদ্ধতিটোৱে এটা বিষয়ৰ ওপৰত ফলপ্ৰসূভাৱে লিখাৰ সামৰ্থ বিকাশ কৰাৰ উদ্দেশ্যে সম্পূৰ্ণ ৰূপে বফল কৰিব। ছাত্ৰ-ছাত্ৰীয়ে ৰচনাত নিজা চিন্তা আৰু অভিজ্ঞতাৰ ওপৰত গুৰুত্ব দিব লাগিব আৰু সেইবোৰেই লিখি প্ৰকাশ কৰাৰ সুবিধা পাব লাগিব।

**চিঠি লিখন ঃ**

সাধাৰণতে পৰস্পৰগতভাৱে দূৰণিত থকা লোকলৈ বাৰ্তা প্ৰেৰণ কৰিবলৈ চিঠি লিখা হয়। ৰচনাৰ দৰে, চিঠিৰ ভাষাত ব্যৱহৃত বাক্যত বৰ্ণৰো বিশেষ যোগাযোগৰ উদ্দেশ্য আছে আৰু ৰচনাৰ লগত পাৰ্থক্য আছে। সেইবাবে ৰচনাত প্ৰয়োজন হোৱাৰ দৰে বহল ব্যাখ্যা (elabarat of point)ৰ প্ৰয়োজন নাই। আনহাতে ৰচনাত যোগাযোগ কৰিবলৈ লিখাৰ বাবে কিছুমান কৌশলৰ প্ৰয়োজন।



টোকা

গ্ৰাহকৰ লগত থকা সম্পৰ্ক অনুসৰি লিখনৰ শৈলী/কৌশল বেলেগ বেলেগ হ'ব। সেইবাবে তেওঁলোকলৈ যোৱা বাৰ্তাটোৱে কেনেদৰে প্ৰতিক্ৰিয়া কৰিব, সেইটো লিখকে বুজাৰ প্ৰয়োজন হ'ব।

**সাধু লিখন ঃ**


সাধু লিখনে ছাত্ৰ-ছাত্ৰীৰ ভৱা চিন্তা কৰা আৰু লিখাৰ সামৰ্থ বৃদ্ধি কৰাত সহায় কৰে। এইটো যিকোনো বয়সতে কৰিব পৰা এটা কাৰ্যকলাপ ছাত্ৰ-ছাত্ৰীৰ কল্পনাই সিহঁতৰ লগতে বয়সস্থ লোকৰ লিখনৰ কৌশলত সহায়ক হোৱাকৈ ছাত্ৰ-ছাত্ৰীৰ লিখাৰ আৰম্ভণি (পাতনি)তে সাধুৰ লগত পৰিচয় কৰাই দিয়া উচিত। পিছত, এই অনুশীলনীটো থুলমূলভাৱে একেই থাকিব। যি নহওঁক ভাষা শিকনৰ বাবে চিন্তা কৰা কৌশলৰ উন্নতকৰণ (promotion) আৰু কল্পনাকৃত দক্ষ ব্যক্তি (imaginative fuculties)ৰ ওপৰত গুৰুত্ব দিয়া হয়। শিশু যেতিয়া ডাঙৰ হৈ আহে, সিহঁতে বিভিন্ন দিশৰ, বিভিন্ন বিষয়বোৰৰ প্ৰতি থাকে সন্মান জনাব পাৰে, সমস্যা সমাধানত ব্যস্ত হ'ব পাৰে আৰু লিখনৰ সৌন্দৰ্যতাক প্ৰশংসা কৰিব পাৰে, সেইটো আশা কৰা হয়।

সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ (শাখাৰ) লগত সামঞ্জস্য ৰাখিহে এই কৌশলবোৰৰ বিকাশ কৰা হয়। সময়ত গৈ এই শিশুবোৰে উচ্চ শ্ৰেণী পোৱাৰ পিছত, শিশুসকলক বিভিন্ন প্ৰকাৰৰ সাহিত্য যেনে - কবিতা/সাধুকথা, খেল আদিৰ লগত পৰিচয় কৰি দিয়া হয় আৰু পিছত এইবোৰেই ছাত্ৰ-ছাত্ৰীক ভবা আৰু সাধু লিখাৰ কৌশলৰ বিকাশ সাধন কৰাত সহয় কৰে। চমুকৈ শেষত ক'ব পাৰি যে সাধু লিখনে সাহিত্য আৰু ভাষাৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰাত সহায় কৰে। সাধু লিখনৰ উপৰিও ছাত্ৰ-ছাত্ৰীক সাধুৰ বিকল্প অন্ত (alternative end) লিখিবলৈ, সাধুটো বিশেষভাৱে এটা দিশত গুৰুত্ব দি আগুৱাই নিবলৈ, এটা বিশেষ চৰিত্ৰৰ প্ৰতি দৃষ্টি ৰাখি সাধু লিখিবলৈ ক'ব পাৰি।

**কবিতা লিখন ঃ**

নিম্ন খাপৰ শ্ৰেণীত ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণতে শব্দ (rleyming word)/ছন্দোময়ী কবিতাহে জানে। সৰু সৰু ল'ৰা-ছোৱালীয়ে ছন্দ আৰু চন্দযুক্ত শব্দবোৰ উপভোগ কৰে আৰু ই ছাত্ৰ-ছাত্ৰীক আগ্ৰহ বঢ়োৱাই নহয় ই কামৰ প্ৰতি সক্ৰিয় মনোভাব (impression) বৃদ্ধি কৰে কাৰণ সিহঁতে এইবোৰ সহজে পঢ়িব পৰা হয়।

ছন্দোময়ী শব্দবোৰে ধ্বনি (sound)ৰ ওপৰত ভিত্তি কৰি লিখন কৌশলৰ বিকাশ কৰে আৰু লিখনৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰিব পাৰে। কাৰণ, সৰু সৰু কবিতা লিখাৰ কাৰ্যকলাপ, সৰু বা কম বয়সৰ ছাত্ৰ-ছাত্ৰীৰ লগতহে কৰিব পাৰি। ছাত্ৰ-ছাত্ৰীসকলক এককভাৱে বা দলগতভাৱে সমনীয়াৰ সৈতে কবিতা লিখিবলৈ দিব পাৰি। এইটো এটা



টোকা

আনন্দদায়ক কাৰ্যকলাপ হ'ব পাৰে।

অৱশ্যে উচ্চ খাপত/শ্ৰেণীত কবিতা লিখনটো বেছি জটিল হয়, কাৰণ কবিতা সম্পৰ্কে সিহঁতৰ বোধ বেছি গভীৰ আৰু জ্ঞানসম্পন্ন হয়। পদ্য লিখাৰ কাৰ্যকলাপবোৰো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এই ধৰণৰ লিখনৰ সৌন্দৰ্য বিকাশৰ লগত সংগতি ৰাখি কৰিব পাৰি।

## অগ্ৰগতিৰ নিৰীক্ষণ - ৬

১। নিম্ন শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলে জনা কবিতাবোৰ কেনে ধৰণৰ?

(ক) টান শব্দযুক্ত কবিতা

(খ) চিন্তাশীল (প্ৰতিবিম্ব নিক্ষেপক) কবিতা

(গ) ছন্দোময় শব্দ যুক্ত কবিতা

(ঘ) সৰু কবিতা

২। চিঠি লিখন, ৰচনা লিখনৰ পৰা কেনেকৈ পৃথক? চিঠি আৰু ৰচনা লিখনৰ মাজত পাৰ্থক্য কি?

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩। 'ছাত্ৰ-ছাত্ৰীৰ কৌতুহল'ৰ ওপৰত এটা দফা আৰু এখন ৰচনা লিখক।

..........................................................................................................

..........................................................................................................


..........................................................................................................

৪। বিদ্যালয়ত শিক্ষকসকলে প্ৰায় ৰচনা আৰু চিঠিবোৰ লিখি দিয়ে আৰু প্ৰয়োজন হ'লে ছাত্ৰ-ছাত্ৰীয়ে এইবোৰ মুখস্থ কৰে আৰু লিখে। এনে কৰাটো জানো শুদ্ধ? ইয়াৰ শুদ্ধতা/অশুদ্ধতাৰ কাৰণ সম্পৰ্কে উত্তৰ লিখক।

..........................................................................................................

..........................................................................................................

..........................................................................................................



টোকা

## ৬.৮ আমি কি শিকিলোঁ

লিখন এটা ভাষাৰ কৌশল, লিখন হ'ল পঢ়িবলৈ আৰু কোনোৱে বুজিবলৈ কৰা কাৰ্য।

যেতিয়া ছাত্ৰ-ছাত্ৰীক লিখিবলৈ শিকোৱা হয়, এইটো নিশ্চিত কৰাৰ প্ৰয়োজন যাতে ছাত্ৰ-ছাত্ৰীয়ে প্ৰাক্ লিখন কাৰ্যৰ বিকাশ সাধন কৰিব পাৰে। এইবোৰৰ লগত সূক্ষ্ম চালিকা কৌশল, Portural আৰু শাৰীৰিক বিকাশ সংযুক্ত হৈ থাকে আৰু নিজক স্পষ্টকৈ প্ৰকাশ কৰিবলৈ ভাষা ব্যৱহাৰ কৰাৰ সামৰ্থও ইয়াত সংযুক্ত হয়।।

লিখনৰ প্ৰস্তুতি দৰাচলতে, ছাত্ৰ-ছাত্ৰীৰ প্ৰচেষ্টাৰ জৰিয়তে লিখন সামগ্ৰী ব্যৱহাৰ কৰিবলৈ আৰু যোগাযোগ কৰিবলৈ এটা সাক্ষ্যহে।

এইটো মনত ৰখা দৰকাৰ যে লিখিবলৈ আৰম্ভণি কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে লিখন অৰ্থপূৰ্ণ হ'বই লাগিব। লিখনৰ আৰম্ভণিতে ছাত্ৰই ভুল কৰে, কাৰণ কথিত আৰু লিখিত ভাষাৰ মাজত পাৰ্থক্য আছে। যিহেতু লিখন হৈছে এনে এটা কৌশল যিয়ে পঠন কথন আৰু শ্ৰৱণৰ দৰে ভাষা আৰু অইন কৌশলবোৰৰ বিকাশ সাধন কৰে। গতিকে এইবোৰৰ ইটো--সিটোৰ পৰিপূৰক হোৱাকৈ উন্নীত (promot) কৰা উচিত।

হাতৰ আখৰৰ জৰিয়তে আমি ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ বিষয়ে তথ্য পাব নোৱাৰোঁ আৰু বেয়া হাতৰ আখৰে নিজে অবাঞ্চিত কোনো কথাৰ পৰামৰ্শ নিদিয়ে। ছাত্ৰ-ছাত্ৰীক বিভিন্ন কৌশল (Technique) প্ৰয়োগ কৰি হাতৰ আখৰ ভাল কৰাত সহায় কৰিব পাৰি। লিখনত কিছুমান বাঞ্ছিত গুণৰ ওপৰত গুৰুত্ব দিব লাগে যেনে - স্পষ্টতা আৰু সংক্ষিপ্তকৰণ। সেইদৰে সৰলতাৰ ওপৰতো গুৰুত্ব দিব লাগে। যিহেতু কথিত ভাষাটো লিখিত ভাষাতকৈ পৃথক, ছাত্ৰ-ছাত্ৰীক লিখা ওপৰত আলোকপাত কৰি সিহঁতৰ লিখন কৌশলৰ বিকাশত সহায় কৰিব পাৰি। এনেধৰণৰ উপায়বোৰ বানান আৰু ব্যাকৰণৰ শুদ্ধিকৰণত উৎসাহ দিবলৈ ভাষাত ব্যৱহাৰ কৰা হয়।

শিশু ডাঙৰ হৈ অহাৰ লগে লগে লিখন কৌশলৰো বিকাশ ঘটে। সেয়েহে বয়স হৈ অহাৰ লগে লগে ছাত্ৰ-ছাত্ৰীক ৰচনাৰ দৰে উন্নত পৰ্যায়ৰ লিখনৰ লগত পৰিচয় কৰি দিয়া উচিত, যেনে - ৰচনা, চিঠি, কবিতা ইত্যাদি।

এই প্ৰয়োজনবোৰ প্ৰত্যেকৰে একে যদিও নিৰ্দিষ্ট সামৰ্থবোৰৰ সন্দৰ্ভত শিক্ষকে সাৱধান হোৱা উচিত।

টোকা



## ৬.৯ পৰামৰ্শমূলক পুথি আৰু প্ৰসংগ পুথিসমূহ


Trask R.L. (1995). Language : The basics, London : Routledge.

Kroll, Barbara (2003), Exploring the Dynamics of second language writing London : Combridge University Press.

Yule, George (1985). The study of language, London, Cambridge University Press.


## ৬.১০ গোটৰ শেষ অনুশীলন

১। লিখিবৰ বাবে সূক্ষ্ম চালিকা কৌশল গ্ৰহণ কৰিবলৈ কিয় প্ৰয়োজন?

২। 'বিদ্যালয়লৈ অহাৰ আগতে ছাত্ৰ-ছাত্ৰীৰ লিখাৰ এটা একক (unique) সামৰ্থ্য থাকে।' আপোনাৰ কাষত থকা ৪-৫বছৰৰ ছাত্ৰ এগৰাকীক পৰ্যবেক্ষণ কৰি এই বিষয়ে আপোনাৰ মতামত/যুক্তি উদাহৰণসহ প্ৰতিপন্ন কৰক।

৩। 'কথিত ভাষা দ্ৰুতগতিত পৰিৱৰ্তন হয় আৰু লিখিত ভাষা লাহে লাহে পৰিবৰ্তন হয়' কথাষাৰ উদাহৰণ সহ ব্যাখ্যা কৰক।

৪। লিখনত সৰলতা, স্পষ্টতা আৰু সংক্ষিপ্তকৰণৰ গুৰুত্ব কি? ব্যাখ্যা কৰক।

৫। লিখিত আৰু কথিত ভাষাৰ পাৰ্থক্য বিশ্লেষণ কৰক।

৬। পঠন ত্ৰুটি (dyslexia) থকা লিখোতে ছাত্ৰ-ছাত্ৰীসকলে সন্মুখীন হোৱা অসুবিধাবোৰ কি?

৭। ভাষা শিকনত 'সাধু লিখন' আৰু কবিতা লিখনৰ গুৰুত্ব কি?

**কাৰ্যকলাপ**

সূক্ষ্ম চালিকা কৌশল (Fine motor skill) ৰ বিকাশ সাধন কৰিবলৈ কি ধৰণৰ কাৰ্যকলাপ ব্যৱহাৰ কৰিব পাৰি ভাবক।

শ্ৰেণীকোঠা এটাত বেছি/সক্ৰিয় যোগাযোগৰ বাবে কিছুমান কাৰ্যকলাপৰ বিষয়ে ভাবক এই পাৰদৰ্শিতাবোৰ পাবলৈ আপুনি বিভিন্ন সামগ্ৰী কেনেকৈ ব্যৱহাৰ কৰিব?